# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
-------------------

১।	নাৰী সৱলীকৰণৰ প্ৰচেষ্টাৰ অংশ হিচাপে আত্মসহায়ক গোটৰ ১৭ হাজাৰ ৬৮০ গৰাকী সদস্যাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ।
২।	ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে শূন্য ব্যয় বীমা আঁচনি মুকলি।
৩।	জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সোণাপুৰৰ পাটৰকুছিত নৱনিৰ্মিত ‘সোণোৱাল ভৱন’ উদ্বোধন।
৪।	গুৱাহাটীত আজি ৫টা বিৰোধী দলৰ বৈঠক। পৰৱৰ্তী বিধানসভা নিৰ্বাচনত ৰাজ্যৰ শাসনাধিষ্ঠিত দলক প্ৰত্যাহ্বান জনোৱাৰ কৌশল সম্পৰ্কে আলোচনা। ***আৰু***
৫।	অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীত চলি থকা আই টি এফ মাষ্টাৰ্ছ টি টু হাণ্ড্ৰেদ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ কাইলৈ চূড়ান্ত খেল।

০০০০

নাৰী সৱলীকৰণৰ দিশত অসমক এখন আদৰ্শ ৰাজ্য হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাত আয়োজিত এখন সভাত আত্মসহায়ক গোটৰ ১৭ হাজাৰ ৬৮০ গৰাকী সদস্যাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই তেওঁৰ ভাষণত কয়, যে মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে এই আঁচনি ৰূপায়ণ কৰা হৈছে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে গুৱাহাটীত ভেণ্ডিং জ’ন বা ব্যৱসায়িক ক্ষেত্ৰত আত্মসহায়ক গোটৰ সদস্যাসকলক অগ্ৰাধিকাৰ দিয়াৰ বাবে পৌৰ নিগমক নিৰ্দেশ দিয়া হৈছে বুলি জানিবলৈ দিয়ে।

**বাইট (চি এম)**

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে শূন্য ব্যয় বীমা আঁচনি মুকলি কৰে। এই আঁচনিৰ অধীনত চলিত বছৰৰ পহিলা জানুৱাৰী বা তাৰ পাছত মৃত্যু হোৱা কৰ্মচাৰীৰ পৰিয়াললৈ ধনৰাশি প্ৰদান কৰা হ’ব। আঁচনিৰ অধীনত সৰ্বাধিক ১ কোটি টকাৰ ব্যক্তিগত দুৰ্ঘটনাজনিত বীমা আৰু ন্যূনতম ২ কোটি টকাৰ বিমান দুৰ্ঘটনাজনিত বীমা প্ৰদান কৰা হ’ব। একেদৰে, সম্পূৰ্ণৰূপে বিকলাংগ হোৱা সকলক সৰ্বাধিক ১ কোটি টকাৰ বীমা আৰু আংশিকভাৱে বিকলাংগলৈ ৮০ লাখ টকাৰ বীমাৰ সুবিধা আগবঢ়োৱা হ’ব। আঁচনিখনৰ অধীনত ন্যূনতম ১০ লাখ টকাৰ ম্যাদী জীৱন বীমাৰ সুবিধা

আগবঢ়োৱা হ'ব। ৰাজ্যখনৰ ঠিকাভিত্তিক আৰু ৰাজ্য চৰকাৰৰ ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীসকলকো এই আঁচনিত সামৰি লোৱা হ'ব।

০০০০

জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সোণাপুৰৰ পাটৰকুছিত নৱনিৰ্মিত 'সোণোৱাল ভৱন' উদ্বোধন কৰে। ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ অধীনত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদে ৭ কোটি ৩ লাখ টকা ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰি উলিয়াইছে। চাৰিমহলীয়া এই ভৱনটো সোণোৱাল কছাৰী সমাজৰ ভাষা, সাহিত্য, সংস্কৃতিকে ধৰি সামগ্ৰিক কল্যাণ সাধনৰ বাবে ব্যৱহৃত হ'ব। এই ভৱনে জনগোষ্ঠীটোৰ লোকসকল তথা ছাত্ৰ-ছাত্ৰীসকলক বিশেষকৈ উপকৃত কৰিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত ভৈয়াম জনজাতি  আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডা০ ৰণোজ পেগু, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালকে ধৰি পৰিষদৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০

দিল্লীৰ বিস্ফোৰণৰ ঘটনাৰ পাছতে সমগ্ৰ দেশতে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰীতো নিৰাপত্তাৰক্ষীয়ে বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ লগতে তালাচী অভিযান অব্যাহত ৰাখিছে। বিশেষকৈ ৰে'ল ষ্টেচন, বিমান বন্দৰসমূহত নিৰাপত্তাৰক্ষীয়ে অভিযান চলাই পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিছে। গুৱাহাটীৰ ৰে'লৱে ষ্টেচনত চি আৰ পি এফে তালাচী অভিযান চলোৱাৰ লগতে যাত্ৰীসকলৰ মাজত মাইকযোগে সজাগ, সচেতন আৰু সতৰ্ক হোৱাৰ আহ্বান জনায়। ৰে'লে ষ্টেচনসমূহত ড্ৰোনৰ সহায়ত নিৰীক্ষণ কৰি থকা হৈছে।  সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীত তৎকালে প্ৰযোজ্য হোৱাকৈ প্ৰশাসনে সমাবেশ, মাৰাথান আদি কাৰ্যসূচী নিষিদ্ধ কৰিছে। মহানগৰ আৰক্ষীয়ে ভাৰতীয় নাগৰিক সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা জাৰি কৰিছে।

দিল্লী বোমা বিস্ফোৰণ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত দৰং আৰক্ষীয়ে আজি এজন লোকক গ্ৰেপ্তাৰ কৰে।

০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই **প্ৰাণৰ গান** শীৰ্ষক এটা বিশেষ গীত প্ৰচাৰৰ দিহা কৰিছে। আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক তথা বিশিষ্ট কবি, গীতিকাৰ কৌস্তুভমণি শইকীয়াই ৰচনা কৰা এই গীতটোক সুৰেৰে সজাইছে কেন্দ্ৰটোৰ আন এগৰাকী অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক তথা বিশিষ্ট সংগীতজ্ঞ জে পি দাসে। এই গীতটোত তেওঁ নিজেই কণ্ঠদান কৰিছে। আজি এই উপলক্ষে জে পি দাস আকাশবাণীৰ ষ্টুডিঅ'লৈ আহে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ আগত জে পি দাসে এই সন্দৰ্ভত কয়।

বাইট

এই বিশেষ গীতটো ১৮ নৱেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত প্ৰথম প্ৰচাৰিত হ'ব।

০০০০

ৰাজ্যখনৰ পাঁচটা বিৰোধী দলে ঐক্যবদ্ধ হৈ কাম কৰিবলৈ একমত প্ৰকাশ কৰিছে। আজি দিছপুৰৰ অসম বিধানসভাৰ কংগ্ৰেছ বিধায়িনী কক্ষত অনুষ্ঠিত এখন বৈঠকত ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত

শাসনাধিষ্ঠিত বিজেপি দলক প্ৰত্যাহ্বান জনোৱাৰ বাবে ঐক্যবদ্ধ বিৰোধী মঞ্চ গঠনৰ সম্ভাৱনীয়তা সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত কুমাৰ বৰাই জনোৱা মতে এই সভাত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা জিতেন্দ্ৰ সিং, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিধানসভাৰ বিৰোধী দলৰ সভাপতি দেৱব্ৰত শইকীয়া, সাংসদ ৰকিবুল হুছেইন আৰু প্ৰদ্যুৎ বৰদলৈয়ে অংশগ্ৰহণ কৰে। ৰাইজৰ দলৰ হৈ বিধায়ক অখিল গগৈ, চি পি আই এমৰ হৈ বিধায়ক মনোৰঞ্জন তালুকদাৰ, আঞ্চলিক গণ মৰ্চাৰ হৈ সাংসদ অজিত কুমাৰ ভূঞা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, চি পি আই এম এলৰ নেতা বিবেক দাসকে ধৰি বিৰোধী দলৰ ভালেকেইগৰাকীয়ে নেতাই অংশগ্ৰহণ কৰে। লুৰীণজ্যোতি গগৈয়ে বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ বিৰোধী শক্তি একত্ৰিত হোৱাৰ ক্ষেত্ৰত আজিৰ এই বৈঠক যথেষ্ট ইতিবাচক বুলি মন্তব্য কৰে। বিধায়ক মনোৰঞ্জন তালুকদাৰেও আজিৰ এই বৈঠকক লৈ যথেষ্ট আশাবাদী বুলি মন্তব্য কৰে। আজিৰ এই বৈঠক সম্পৰ্কত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা–

**ভইচ (হেমন্ত বৰা)**

০০০০

অসম প্ৰদেশ কংগ্ৰেছ দলে এই মাহৰ শেষৰফালে ৰাজ্যখনত 'ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ' শীৰ্ষক অভিযান আৰম্ভ কৰিব। আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত অনুষ্ঠিত দলটোৰ ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে এই অভিযানক দলটোৰ নেতা-কৰ্মীসকলে গাঁৱে-গাঁৱে গৈ জনসাধাৰণৰ সৈতে সংযোগ স্থাপনৰ প্ৰয়াস চলাব বুলি প্ৰকাশ কৰে।

০০০০

ৰাজ্যত স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে কাইলৈ শিক্ষা বিভাগত ৮ হাজাৰৰো অধিক প্ৰাৰ্থীক নিযুক্ত পত্ৰ প্ৰদান কৰা হ'ব। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত কাইলৈ বিয়লি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। অনুষ্ঠানত উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ২৫২ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ বিতৰণৰ উপৰি ৬২ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ২৭৫ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ৬ হাজাৰ ৫২২ গৰাকী স্নাতক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ২৮ গৰাকী প্ৰবক্তা আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০

চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন স্থানত আজিও 'একতাৰ পদযাত্ৰা' উলিওৱা হয়। কামৰূপ জিলাৰ মিৰ্জাত আয়োজিত 'একতাৰ পদযাত্ৰা'ত আজি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। মিৰ্জাৰ ছহিদ বেদী প্ৰাংগণৰ পৰা দক্ষিণ কামৰূপ মহাবিদ্যালয়লৈ উলিওৱা এই পদযাত্ৰাৰ জৰিয়তে যুৱক-যুৱতীসকলৰ মাজত ঐক্য, সংহতি আৰু দেশপ্ৰেমৰ ভাৱনা গভীৰ কৰি তোলাৰ প্ৰয়াস কৰা হয়। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, তৰ্ক আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাতো আজি জিলা প্ৰশাসনৰ সহযোগত ‘একতাৰ পদযাত্ৰা’ উলিওৱা হয়। মানকাচৰৰ অশোকাষ্টমী মেলা ময়দানৰ পৰা জে এম উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উলিওৱা এই পদযাত্ৰাত জিলা আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষককে ধৰি প্ৰায় ৩ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

পবিতৰা অভয়াৰণ্যত আজিৰে পৰা ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে হাতী ছাফাৰী আৰম্ভ হৈছে। অভয়াৰণ্যখনত যোৱা ২৩ অক্টোবৰত পৰ্যটকৰ বাবে জীপ ছাফাৰী মুকলি কৰা হৈছিল। এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণভূমি পবিতৰা অভয়াৰণ্য এইবাৰ কিছু পলমকৈ আৰম্ভ কৰা হৈছে। অভয়াৰণ্যখনৰ বিধবস্ত বাট-পথ মেৰামতিৰ পাছতহে পৰ্যটকৰ বাবে কৰ্তৃপক্ষই জীপ ছাফাৰী মুকলি কৰি দিছে। উল্লেখযোগ্য যে ২০২৪-২৫ পৰ্যটন বৰ্ষত ৩৪ হাজাৰ ৩৯০ গৰাকী দেশী-বিদেশী পৰ্যটকৰ পবিতৰালৈ আগমন ঘটিছিল। এই বৰ্ষত পৰ্যটকৰ পৰা ৬১ লাখ ২৬ হাজাৰ ৪২৫ টকাৰ ৰাজহ সংগ্ৰহ কৰা হৈছিল বুলি অভয়াৰণ্য কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

০০০০

মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰত ৩৭২ বছৰীয়া পৰম্পৰা অটুট ৰাখি আজিৰে পৰা পাল-নাম মহোৎসৱৰ আয়োজন কৰা হৈছে। মাজুলীৰ এই অন্যতম আধ্যাত্মিক আৰু সাংস্কৃতিক উৎসৱ উপলক্ষে অগণন ভকত-বৈষ্ণৱৰ আগমন হৈছে। প্ৰতিবছৰে কাতি মাহৰ শেষৰ পাঁচটা দিনত উদযাপন কৰা এই পালনামলৈ দেশৰ লগতে বিদেশৰো ভক্তৰ আগমন হয়। সত্ৰৰ ভকত-বৈষ্ণৱসকলে আজি প্ৰথমদিনা নাম-ভাগৱত প্ৰতিষ্ঠা কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। চাৰিওহাটীৰ ভকতসকলে দৈনিক পাল পাতি নাম লোৱাৰ লগতে দিহা নাম, নটুৱা আদি পৰিৱেশন কৰি মূল নামঘৰত ভকত বৈষ্ণৱসকলে পাল পাতি নাম পৰিৱেশন কৰিছে। আজি পুৱা নাম প্ৰসংগৰ পাছতে পশ্চিমহাটীৰ বৈষ্ণৱসকলে আৰু পুৱহাটীৰ বৈষ্ণৱসকলে নাম ডাকে। এই নামতে ভক্তসকলে মনৰ অভিলাষ অনুসৰি ধুপ ধুনা, বন্তি, লোন আদি আগবঢ়াই সেৱা লয়। এই মহোৎসৱৰ সন্দৰ্ভত এয়া মাজুলীৰ পৰা আমাৰ  সংবাদদাতা বিকাশ শইকীয়াঃ

বাইট

০০০০

অসম গণ পৰিষদ দলে অহা ১৮ নৱেম্বৰত জুবিন গাৰ্গৰ জন্মদিনটো ৰাজ্যজুৰি **জাতীয় স্বাভিমান দিৱস** হিচাপে পালন কৰাৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত আজি আমবাৰীৰ দলটোৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমেলত দলৰ সাধাৰণ সম্পাদক মনোজ শইকীয়াই কয়, যে সেইদিনা প্ৰতিখন বিধানসভা সমষ্টিতে অগপৰ জিলা সমিতিয়ে বিস্তৃত কাৰ্যসূচীৰে এই দিৱস পালন কৰিব। সেইদিনা শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই নাহৰ পুলি ৰোপণ, প্ৰকৃতিৰ বন্ধু আৰু কিতাপৰ বন্ধুক সম্বৰ্ধনা, জুবিন গাৰ্গৰ গীত পৰিৱেশনৰ উপৰি সন্ধিয়া দলীয় কাৰ্যালয় আৰু ৰাজহুৱা স্থানত বন্তি প্ৰজ্বলন কৰা হ’ব। তদুপৰি অসম যুৱ পৰিষদ আৰু অসম ছাত্ৰ পৰিষদৰ সহস্ৰাধিক সদস্যই সেইদিনা প্ৰতিখন জিলা সদৰত ৰক্তদান শিবিৰৰ আয়োজন কৰিব। ইতিমধ্যে বহুসংখ্যক সদস্যই ৰক্তদানৰ বাবে নাম পঞ্জীয়ন কৰিছে বুলি অগপৰ সাধাৰণ সম্পাদকগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

কৃষিমন্ত্ৰী অতুল বৰাই আজি নতুন দিল্লীত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৰি ৰাজ্যখনত ৰূপায়িত হৈ থকা কেন্দ্ৰীয় আঁচনিসমূহৰ অগ্ৰগতি সন্দৰ্ভত মন্ত্ৰীগৰাকীক অৱগত কৰে। তেওঁ লগতে ৰাজ্যখনৰ কৃষকসকলৰ জীৱন ধাৰণৰ মান উন্নীত কৰি অসমৰ কৃষিভিত্তিক অৰ্থনীতি সুদৃঢ় কৰাৰ

ক্ষেত্ৰত এই আঁচনিসমূহে কিধৰণে সহায় কৰিছে সেই বিষয়ে আলোচনা কৰে। এই আলোচনাত ৰাজ্যৰ কৃষি খণ্ডৰ সৰ্বাঙ্গীন বিকাশ আৰু কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ পথ প্ৰশস্ত কৰাৰ সন্দৰ্ভতো আলোচনা কৰা হয়। মন্ত্ৰী শ্ৰীবৰাই অসমৰ লগতে দেশৰ কৃষিখণ্ডৰ আমুল পৰিৱৰ্তনৰ ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লোৱাৰ উপৰি ভৱিষ্যতেও ৰাজ্যখনক সহযোগিতা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে ৰাজ্যৰ পৰিশ্ৰমিক কৃষক সমাজৰ সামগ্ৰিক কল্যান আৰু মৰ্যাদাপূৰ্ণ জীৱন সুনিশ্চিত কৰাৰ বাবে বদ্ধপৰিকৰ বুলিও উল্লেখ কৰে।

০০০০

অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচলৰ টেনিছ প্ৰকল্পত চলি থকা আই টি এফ মাষ্টাৰ্ছ টি টু হাণ্ড্ৰেদ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখনত পুৰুষ আৰু মহিলাৰ একক তথা ডাবলছৰ সকলো শাখাৰে চূড়ান্ত খেল কাইলৈ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনৰ সঞ্চালকৰ দায়িত্বত থকা অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই এই কথা সদৰি কৰে। পুৰুষৰ ৪৫ বছৰ উৰ্ধৰ একক শাখাত শ্লোকাভিয়াৰ পিটাৰ জাংকুস্কাৰ বিপৰীতে জাৰ্মান খেলুৱৈ ডেনিয়েল জন ফাইনেলত অৱতীৰ্ণ হ'ব। আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেছনৰ বিশ্ব ৰেংকিঙৰ প্ৰতিযোগিতাখনৰ মহিলাৰ এককৰ ৫৫ বছৰ উৰ্ধৰ শাখাৰ অন্তিম লীগ মেচত আজি সুজাতা শৰ্মাই অনুসূয়া বৰাক পৰাস্ত কৰে। আনহাতে, ৪৫ বছৰ উৰ্ধৰ শাখাত পাৰমিতা গোহাই ৰায়-ছিলভিয়া জাংকুছকোভাক পৰাস্ত কৰে।

০০০০

ওদালগুৰি জিলাৰ বড়ো সাহিত্য সভাৰ সভাপতি চুবুংসা মুছাহাৰীৰ আজি দুপৰীয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৫ বছৰ। তেখেতৰ মৃত্যুত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বড়ো সাহিত্য সভা, ওদালগুৰি জিলা সাহিত্য সভা, বড়োলেণ্ড সাংবাদিক সন্থা, বিভিন্ন ব্যক্তি আৰু দল সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ